# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰীয়ে গ্ৰন্থক মানুহৰ শ্ৰেষ্ঠ বন্ধু বুলি অভিহিত কৰিছে।

৩। চৰকাৰৰ আহ্বান মৰ্মে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

৪। ঝাৰখণ্ডত আই এন ডি আই মিত্ৰ জোঁটৰ বিধায়িনী দলৰ নেতা বাছনি কৰাৰ উদ্দেশ্যে আজি বিয়লি ৰাঁচীত মিত্ৰজোঁটটোৰ নৱ-নিৰ্বাচিত বিধায়কসকলৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

**আৰু**

৫। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত শক্তিশালী স্থিতিত উপনীত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰানীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে।আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্য কৰি ভাষণ দি শ্ৰীমোদীয়ে এইদৰে আহ্বান জনায়। তেওঁ অহা কেইটামান মাহত একলাখ এনে যুৱক-যুৱতীক ৰাজনাতিৰ সৈতে সংযুক্ত কৰাৰ বাবে ভালেসংখ্যক বিশেষ অভিযান চলোৱা হ'ব বুলিও ঘোষণা কৰে। শ্ৰীমোদীয়ে লগতে অহা বছৰ স্বামী বিবেকানন্দৰ ১৬২ সংখ্যক জন্মবাৰ্ষিকীৰ দিনা দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। দেশে স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে প্ৰতিবছৰে ১২ জানুৱাৰীত যুৱ দিৱস পালন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ বিভিন্ন প্ৰান্তত কোটি কোটি যুৱক যুৱতীয়ে বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনাত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে। দুহেজাৰ এনে যুৱক-যুৱতীক গাঁও, উন্নয়ন খণ্ড, জিলা আৰু ৰাজ্যসমূহৰ পৰা বাচনি কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

তেওঁ কয়, য়ে মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত মাত্ৰ ৫ মাহৰ ভিতৰত ১০০ কোটি গছপুলি ৰোপণৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰা হৈছে। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে এই অভিযানত অংশগ্ৰহণ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই অভিযান সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশলৈ সম্প্ৰসাৰিত হোৱাক লৈ গৌৰৱ প্ৰকাশ কৰি শ্ৰীমোদীয়ে শেহতীয়া গায়েনা ভ্ৰমণ কালত দেশখনৰ ৰাষ্ট্ৰপতি ড০ ইৰফান আলী, তেওঁৰ শাহু আৰু পৰিয়ালৰ অন্য সদস্যসকলে মাতৃৰ নামত এজোপা গছ অভিযানত তেওঁ সংগ দিয়াৰ কথা স্মৰণ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে মধ্যপ্ৰদেশৰ ইন্দোৰত ২৪ ঘণ্টাৰ ভিতৰত ১২ লাখৰো অধিক গছপুলি ৰোপণ কৰি নতুন অভিলেখ গঢ়া হৈছে। তেওঁ কয় যে এই অভিযানৰ ফলত ইন্দোৰৰ ৰেৱাতি পাৰ্বত্য অঞ্চলৰ অনুৰ্বৰ ভূমি সেউজ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰা হৈছে। তেওঁ লগতে ৰাজস্থানৰ জয়ছলমেৰৰ মহিলাৰ এটা দলে

১ ঘণ্টাত ২৫ হাজাৰ গছপুলি ৰোপণ কৰাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত এই অভিযানৰ অধীনত স্থানীয় আৱশ্যকতা অনুযায়ী গছপুলি ৰোপণ কৰা বিভিন্ন সামাজিক সংস্থাৰ উদাহৰণ শ্ৰীমোদীয়ে দিয়ে। তেওঁ কয় যে এই সংস্থাসমূহে ঠাই বিশেষে ঔষধি গছৰ লগতে চৰাই-চিৰিকটিয়ে বাহ সাজিব পৰাকৈ বিভিন্ন গছপুলি ৰোপণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আৰু মাই গভ দট ইন পৰ্টেল যোগে গছপুলিৰ সৈতে ছেলফি আপলোড কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে চৰকাৰী কাৰ্যলয়ৰ দশক-দশক পুৰণি ফাইল আৰু ব্যৱহাৰ নোহোৱা পুৰণি সামগ্ৰী আঁতৰ কৰাৰ বাবে বিশেষ পৰিস্কাৰ পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে চৰকাৰী বিভাগসমূহত এই আঁচনি ফলদায়ক ৰূপে পৰিগণিত হৈছে আৰু কাৰ্যালয়সমূহত যথেষ্ঠ ঠাই ওলাইছে। ভাৰতত আৱৰ্জনাৰ পৰা সম্পদ প্ৰাচীন অৱধাৰণা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কৰা আৰু বহনক্ষম জীৱন শৈলীৰ প্ৰসাৰৰ বাবে কাম কৰা একাংশ যুৱক-যুৱতীৰ উদাহৰণ দিয়ে।

এই প্ৰসংগত ঈতিশাৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে যুৱতীগৰাকীয়ে কৰ্পৰেট জগতৰ জাকজমকতা ত্যাগ কৰি অৰুণাচল প্ৰদেশৰ ছুংতি উপত্যকাৰ পৰিস্কাৰ-পৰিচ্ছনতাৰ কামত নিজকে উৎসৰ্গা কৰিছে। উপত্যকাটোত পৰ্যটকৰ বাবে ভালেখিনি প্লাষ্টিক আৱৰ্জনা গোট খাইছিল আৰু এই আৱৰ্জনাৰ বাবে উপত্যকাটোৰ নদ-নদীসমূহ প্ৰদুষিত হৈ পৰিছিল। ঈতিশাই সেই অঞ্চলৰ থলুৱা জনসাধাৰণৰ সৈতে লগ লাগি এই নৈসমূহ প্ৰদূষণমুক্ত কৰাৰ বাবে কাম কৰি আছে।

এনে ধৰণৰ প্ৰচেষ্টাই দেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযানত গতি প্ৰদান কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এনচিচি দিৱস উপলক্ষে শ্ৰীমোদীয়ে শিক্ষাৰ্থীৰ বাহিনীৰ সদস্য হৈ থকা সময়চোৱাৰ কথা স্মৰণ কৰে। তেওঁ কয় যে এন চি চিয়ে যুৱ প্ৰজন্মৰ মাজত অনুশাসন, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ যোগাই তোলে। সম্প্ৰতি ২০ লাখৰো অধিক যুৱক-যুৱতী বাহিনীটোৰ সৈতে জড়িত হৈ আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে এইবাৰৰ মন কী বাত অনুষ্ঠানত সমাজৰ বাবে নিস্বাৰ্থ ভাৱে কাম কৰা একাংশ যুৱক-যুৱতীৰ কথাও প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী কয় যে, ভূপালৰ মহেশে তেওঁৰ অঞ্চলৰ বহুতো বয়োজ্যেষ্ঠ লোকক মোবাইল ফোনৰ জৰিয়তে ধন পৰিশোধ কৰিবলৈ শিকাইছে। সেই বয়োজ্যেষ্ঠ লোকসকলৰ স্মাৰ্ট ফোন আছে কিন্তু সেই ফোনৰ ব্যৱহাৰৰ বিষয়ে তেওঁলোকক ক'বলৈ কোনো নাছিল। শ্ৰীমোদীয়ে আৰু কয়, আহমেদাবাদৰ ৰাজীৱ নামৰ যুৱকজনে বহুতো বয়োজ্যেষ্ঠ লোকক ডিজিটেল মাধ্যমৰ জৰিয়তে হ'ব পৰা বিপদৰ পৰা ৰক্ষা কৰে। বয়োজ্যেষ্ঠ লোকসকল চাইবাৰ অপৰাধীৰ দ্বাৰা বিপদত পৰাৰ যথেষ্ট আশংকা থাকে আৰু তেওঁলোকক এই চাইবাৰ প্ৰতাৰক বিলাকৰ পৰা ৰক্ষা কৰাটো সকলোৰে কৰ্তব্য।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰন্থ মানুহৰ শ্ৰেষ্ঠ বন্ধু, পুথিভঁৰালবোৰ হৈছে এই বন্ধুত্ব শক্তিশালী কৰাৰ এটা স্থান। তেওঁ প্ৰকাশ কৰে যে, এনেকুৱা এটা পুথিভঁৰাল শিশুসকলৰ বাবে চেন্নাই'ত আৰম্ভ কৰা হৈছে। যিটো এতিয়া শিক্ষা আৰু সৃষ্টিশীলতাৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে আৰু যাক প্ৰকৃত অ'ৰিভাগম বুলি জনা যায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে শেহতীয়া গায়েনা ভ্ৰমণৰ বিষয়ে আনন্দ প্ৰকাশ কৰি কয়, যে গায়েনাত এখন মিনি ইণ্ডিয়া বাস কৰে। প্ৰায় ১৪০ বছৰৰ আগতে ভাৰতীয় লোকসকলক পথাৰত কাম কৰিবলৈ বা অনান্য কামৰ বাবে

গায়েনালৈ লৈ যোৱা হৈছিল। শ্ৰীমোদীয়ে কয়, যে গায়েনাত থকা ভাৰতীয় মূলৰ লোকসকলে প্ৰতিটো ক্ষেত্ৰতে দেশখনক নেতৃত্ব প্ৰদান কৰি আহিছে। তেওঁ কয়, যে গায়েনাৰ ৰাষ্ট্ৰপতিও ড০ ইৰফান আলীও ভাৰতীয় মূলৰ আৰু তেওঁ নিজৰ ভাৰতীয় ঐতিহ্যক লৈ গৌৰান্বিত। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বৰ বহুতো দেশত লাখ লাখ ভাৰতীয় লোক আছে আৰু যাৰ পূৰ্বপুৰুষৰ নিজা কাহিনী আছে। শ্ৰীমোদীয়ে বহু শতিকাজুৰি ওমানত বসবাস কৰি থকা ভাৰতীয় লোকসকলৰ কথা উল্লেখ কৰি কয়, যে তেওঁলোকৰ বেছিভাগে গুজৰাটৰ কচ্ছৰ। এই লোকসকলে গুৰুত্বপূৰ্ণ বাণিজ্যিক সংযোগ সৃষ্টি কৰিছিল। প্ৰধানমন্ত্ৰীয়ে আৰু কয়, যে ওমানত থকা ভাৰতীয় দূতাবাস আৰু ৰাষ্ট্ৰীয় আৰ্কাইভৰ সহায়ত এটা দলে এই পৰিয়ালসমূহৰ ইতিহাস সংৰক্ষণৰ কাম আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত এতিয়ালৈকে অলেখ নথিপত্ৰ সংগ্ৰহ কৰা হৈছে। শ্ৰীমোদীয়ে লগতে কয়, যে ভাৰততো একেধৰণৰ মৌখিক ইতিহাস প্ৰকল্পৰ কাম সম্পন্ন কৰা হৈছে। এই প্ৰকল্পৰ অধীনত ইতিহাসবিদসকলে দেশ বিভাজনৰ সময়ছোৱাত ভুক্তভোগীসকলৰ অভিজ্ঞতাবোৰ একত্ৰিত কৰি আছে।

00000000

চৰকাৰৰ আহ্বান মৰ্মে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰে। সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিৱেশনৰ সামৰণি পৰিব।

00000000

ঝাৰখণ্ডত আই এন ডি আই মিত্ৰ জোঁটৰ বিধায়িনী দলৰ নেতা বাছনি কৰাৰ উদ্দেশ্যে আজি বিয়লি ৰাঁচীত মিত্ৰজোঁটটোৰ নৱনিৰ্বাচিত বিধায়কসকলৰ এখন বৈঠত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ বাসগৃহত হ'বলগীয়া এই বৈঠকত ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ, আৰ জে ডি, চি পি আই এম এলৰ নৱনিৰ্বাচিত বিধায়কসকলে ভাগ ল'ব। সূত্ৰৰ পৰা জানিব পৰা মতে হেমন্ত চোৰেনে আই এন ডি আই মিত্ৰজোঁটৰ বিধায়িনী দলৰ নেতা হিচাপে বাছনি লাভ সম্ভাৱনা আছে। নেতা হিচাপে বাছনি লাভ কৰাৰ পাছত হেমন্ত চোৰেনে বিয়লি ৪ বজাত ৰাজ্যপালক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰিব।

00000000

সমগ্ৰ দেশত আজি নৱম শিখগুৰু টেগবাহাদুৰৰ ছহীদ দিৱস পালন কৰা হৈছে। ১৬৭৫ চনৰ আজি দিনটোতে গুৰু টেগবাহাদুৰে ধৰ্ম, মানৱীয় প্ৰমূল্য আদৰ্শ আৰু নীতি ৰক্ষাৰ বাবে জীৱন বলিদান দিছিল। গুৰু টেগ বাহাদুৰৰ বলিদানৰ এই দিনটো ছহীদ দিৱস হিচাপে পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গুৰু টেগবাহাদুৰৰ ছহীদ দিৱস উপলক্ষে শিখ গুৰুগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

00000000

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত শক্তিশালী স্থিতিত উপনীত হৈছে। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে ৫টা উইকেট হেৰুৱাই দ্বিতীয় ইনিংচত ৩৮৮ ৰান সংগ্ৰহ কৰি খেলি আছে। বিৰাট কোহলীয়ে ৫৪ ৰান আৰু ৱাচিংটন সুন্দৰে ২০

ৰান কৰি ক্ৰিজত আছিল। ভাৰতে অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ৪৩৪ৰানত অগ্ৰগতি লাভ কৰিছে। ভাৰতৰ হৈ অ'পেনাৰ যশস্বী জয়ছোৱালে ১৬১ ৰান আৰু কে এল ৰাহুলে ৭৭ ৰান সংগ্ৰহ কৰে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে ছৌদি আৰবৰ জেদ্দাহত আজি আৰু কাইলৈ নিলাম অনুষ্ঠিত হ'ব। এইবাৰকে একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নিলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বৰ্ষৰ বাবে ডুবাইত নিলাম অনুষ্ঠিত হৈছিল। এইবেলি  এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈসহ মুঠ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নিলামত ভাগ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক লৈ দল গঠন কৰিব পৰা যাব আৰু নিলামৰ জৰিয়তে মুঠ ২০৪টা শ্ল'ট লাভ কৰিব পৰা যাব।

০০০০০০০০

সমাপ্ত